**টি.এন.গোদাবৰ্মন থিৰুমুলপদ**

**বনাম**

**ইউনিয়ন অৱ ইণ্ডিয়া আৰু অন্যান্য**

**১৫ ডিচেম্বৰ, ২০০৬**

**[ৱাই. কে. সবৰৱাল, মুখ্য ন্যায়াধীশ ড° অৰিজিত পাচায়ত আৰু এছ্.এইছ্. কাপাৰিয়া ,ন্যায়াধীশ ]**

খনিজ সংৰক্ষণ আৰু উন্নয়ন বিধি, ১৯৮৮:

কুদ্ৰেমুখ আয়ৰন এণ্ড অ'ৰ কোম্পানী লিমিটেডৰ খনি বন্ধ কৰাৰ পৰিকল্পনা-আই. আই .টি., দিল্লীৰ পৰামৰ্শ আৰু অনুমোদনৰ বিবেচনা – আই.আই.টি.,দিল্লী আৰু খনি মন্ত্ৰ্যালয়,ভাৰত চৰকাৰলৈ নিৰ্দেশনা জাৰি - পৰিৱেশ আৰু বাস্তব্যবিদ্যা- সংৰক্ষণ ।

কুদ্ৰেমুখ আইৰন এণ্ড অ'ৰ কোম্পানী লিমিটেড (কে.আই.অ'.চি.এল) ৰ কাৰ্যকলাপে পৰিৱেশ আৰু পৰিস্থিতি তন্ত্ৰৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ পেলাইছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত, এই ন্যায়ালয়ে পূৰ্বে নিৰ্দেশ দিছিল যে ২০০৫ চনৰ শেষলৈকে খননৰ অনুমতি দিয়া হ'ব, সেই সময়লৈকে ইতিমধ্যে বিভংগন হোৱা অঞ্চলত উপলব্ধ গৌণ আকৰ শেষ হৈ যাব লাগিব, আৰু এইবোৰ কাম কেনেদৰে কৰিব লাগে তাৰ পদ্ধতি সমিতিৰ পৰামৰ্শ অনুসৰি কৰা হ'ব।

এই ন্যায়ালয়ত অন্তৰ্বৰ্তী আবেদন দাখিলেৰে, কে.আই.অ'. চি.এল.-এ দাবী কৰিছিল যে ন্যায়ালয়ে ইতিমধ্যে বিভংগন হোৱা অঞ্চলত ২০০৫ চনৰ শেষলৈকে বিচুৰ্ণ গৌণ আকৰ খননৰ অনুমতি দিছিল, কিয়নো এই ন্যায়ালয়ে আশা কৰিছিল যে বিচুৰ্ণ আকৰ শেষ হৈ যাব, কিন্তু বাস্তৱিকতে, ইতিমধ্যে বিভংগন হোৱা অঞ্চলত প্ৰায় ২০ নিযুত টন বিচুৰ্ণ আকৰ এতিয়াও উপলব্ধ হৈ আছে। ইয়াক ব্যৱহাৰ কৰাৰ অনুমতি দিয়া উচিত কিয়নো ইয়াৰ জৰিয়তে প্ৰতি বছৰে প্ৰায় ২৫ কোটি টকাৰ ৰাজহ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে । যদি ইয়াক অনুমোদন কৰা হয়, কুদ্ৰেমুখ কৰ্তৃপক্ষৰ পৰিৱেশ পুনৰুদ্ধাৰ পুঁজিৰ বাবে প্ৰায় ৩০০ কোটি টকা উপলব্ধ হ'ব যিয়ে কুদ্ৰেমুখ ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশতন্ত্ৰত নাটকীয় পৰিৱৰ্তন আনিব। এমিকাছ কিউৰি (নিৰপেক্ষ অধিবক্তা)য়ে উপস্থাপন কৰে যে এই ন্যায়ালয়ে স্পষ্টভাৱে ২০০৫ চনৰ শেষৰ ভিতৰত খনিৰ

কাৰ্যকলাপ বন্ধ কৰাৰ নিৰ্দেশ দিছিল । লাভৰ বাবে খনিৰ কাৰ্যকলাপ চলোৱাৰ  সময় দিয়া হোৱা নাছিল, কিন্তু অৱলুপ্তিৰ সময়ৰ অন্তত খনন কাৰ্য বন্ধ কৰাৰ নিৰ্দেশ আছিল । এই সময়ছোৱাত কাৰ্যকলাপ কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিৰ তত্ত্বাৱধানৰ অধীনত নিৰীক্ষণ সমিতিয়ে তদাৰক কৰাৰ নিৰ্দেশনা আছিল আৰু কে. আই. অ'. চি. এল.-এ  ৮ৰ পৰা ৯ লাখ টন আকৰৰ  খনন অব্যাহত ৰাখিব বিচাৰিছিল। আই.আই.টি-ক ইয়াৰ মতামত দিবলৈ নিযুক্ত কৰা হৈছিল আৰু এই ন্যায়ালয়ে ইয়াৰ প্ৰতিবেদন বিবেচনা কৰিছিল।

**অন্তৰ্বৰ্তী আবেদন নিষ্পত্তি কৰি ন্যায়ালয়ে এইবুলি ৰায় দিয়েঃ**

(১) এইটো দেখা গৈছে যে কে. আই. অ’. চি. এল.-এ অৱলুপ্তিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰাকৈ বাণিজ্যিক কাৰ্যকলাপ চলোৱাৰ বাবে সংশ্লিষ্ট সময়খিনি ব্যৱহাৰ কৰিছে। ২০০৬ চনৰ ১০ মে 'ত কে. আই. অ'. চি. এল.-ৰ দ্বাৰা এক শপতনামা দাখিল কৰা হৈছিল য'ত এই স্থিতি গ্ৰহণ কৰা হৈছিল যে যদি কে. আই. অ'. চি. এল.-ক প্ৰদূষণ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে কাম কৰিবলৈ অনুমতি দিয়া নহয়, তেন্তে ভদ্ৰা নদীৰ গুৰুতৰ প্ৰদূষণৰ সম্ভাৱনা আছে। দিল্লীৰ আই. আই. টি.-য়ে এই অনুশীলনটো প্ৰয়োজনীয় বুলি বিবেচনা কৰা নাছিল। কে. আই. অ ’. চি. এল.-এ অনিবাৰ্য বুলি  ভৰা কথাটোৰ বিপৰীতে, প্ৰচণ্ড বাৰিষাৰ পিছতো কোনো ক্ষতি হোৱা নাছিল বুলি উল্লেখ কৰা হৈছে। আই. আই. টি, দিল্লীয়ে ইয়াৰ প্ৰতিবেদনত লক্ষ্য কৰিছে যে সমাধানটো বিশেষজ্ঞসকলে বিচাৰিব লাগিব আৰু সেই সমাধানটোৰ হৃদস্পন্দন হৈছে "অভগ্ন অঞ্চলত কোনো ব্যাঘাত নোহোৱা  বা ন্যূনতম ব্যাঘাত নোহোৱা " ঢালৰ   স্থিৰতা । বিভিন্ন সময়ত, এই ন্যায়ালয়ৰ দ্বাৰা নিশ্চিতভাৱে আৱশ্যক বুলি গণ্য কৰা বিষয়বোৰ বাতিল কৰাৰ লক্ষ্যৰে প্ৰকৃততে আবেদন দাখিল কৰা হৈছে।

(১১৭৫-ই-এইছ)

(২) এই পটভূমিত তথা আই. আই .টি.-ৰ যুক্তিসংগত পৰামৰ্শ আৰু অনুমোদনৰ  প্ৰতি লক্ষ্য ৰাখি তলত দিয়া নিৰ্দেশনাসমূহ জাৰি কৰা হৈছেঃ

(i) আই.আই.টি. দিল্লীৰ  ১০/০৪/২০০৬ তাৰিখৰ প্ৰতিবেদনৰ ভিত্তিত গোলকীয় প্ৰতিযোগিতামূলক নিবিদা আহ্বানেৰে এনে এক প্ৰতিষ্ঠান বাছনি কৰিব লাগিব যাৰ কাম হ’ব - (ক) ঢালৰ স্থিৰতা পুনঃবিশ্লেষণ কৰা (খ) খনি বন্ধ কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰা আৰু (গ) উপৰোক্ত পৰিকল্পনাৰ ৰূপায়ণ কৰা; (ii) আই .আই. টি.   দিল্লীয়ে "অভগ্ন অঞ্চলত কোনো

ব্যাঘাত নোহোৱা বা ন্যূনতম ব্যাঘাত নোহোৱা" মৌলিক আৰ্হিৰ সৈতে সংগতি ৰাখি কৰিবলগীয়া কামৰ বাবে বিশদ চৰ্ত প্ৰস্তুত কৰিব আৰু পৰৱৰ্তী নিৰ্দেশনাৰ বাবে এয়া চাৰি সপ্তাহৰ ভিতৰত এই ন্যায়ালয়ত দাখিল কৰিব; (iii) ভাৰত চৰকাৰৰ খনি মন্ত্ৰ্যালয়ে তাৎক্ষণিকভাৱে খনিসমূহ দখল কৰিবলৈ এজন বিষয়া মনোনীত কৰিব। আই .আই. টি. দিল্লীয়ে খনি আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ জৰীপ কৰিবলৈ বিশেষজ্ঞৰ এটা দল নিয়োগ কৰিব আৰু বিশেষজ্ঞ সংস্থাৰ নিযুক্তি নোহোৱালৈকে মধ্যৱৰ্তী সময়ছোৱাত ল'বলগীয়া যিকোনো তাৎক্ষণিক পদক্ষেপ সন্দৰ্ভত এই ন্যায়ালয়ত এক প্ৰতিবেদন দাখিল কৰিব। আই .আই. টি. দিল্লীয়ে মনোনীত বিষয়াক তাৎক্ষণিকভাৱে যিকোনো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ ক'ব পাৰে; (iv) গোলকীয় প্ৰতিযোগিতামূলক নিবিদা আহ্বান আৰু মূল্যায়নৰ বাবে অৰ্থাৎ বিজ্ঞাপন আদিত ব্যয়ৰ বাবে আৰম্ভণিতে কে.আই.অ'. চি. এল.-এ জমা কৰা ১৯ কোটি টকা প্ৰয়োগ কৰিব পৰা যায় আৰু এইয়া বৰ্তমান তদৰ্থ-চি. এ. এম. পি. এ-ৰ ওচৰত আছে; (v) যদি উপৰোক্ত পৰিমাণতকৈ অধিক ধনৰ প্ৰয়োজন হয়,তেন্তে সংশ্লিষ্ট প্ৰতিষ্ঠান বা মনোনীত বিষয়াজনে প্ৰয়োজনীয় নিৰ্দেশনাৰ বাবে এই ন্যায়ালয়ত আবেদন কৰিব।

[১১৮২-ই-এইছ; ১১৮৩-এ-চি]

**দেৱানী মূল ক্ষেত্ৰাধিকাৰঃ** লেখ আবেদন নং ২০২/১৯৯৫ -ত আই. এ. নং ৬৭০ ৰ অন্তৰ্গত আই. এ .নং ১০১০ ত আই. এ. নং ১৪৫৮ ,লগতে আই. এ. নং ১০১০ ত আই. এ .নং ১১৫০ ভাৰতীয় সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত।

উপস্থাপক পক্ষঃ গোলাম ই. বাহনৱতি, এছ.জি. হৰিষ, এন. চালভে, ইউ. ইউ. ললিত, কে.কে. বেণুগোপাল, এছ. কে.আগৰৱাল, সিদ্ধাৰ্থ চৌধুৰী, পি. কে. মনোহৰ, শিৱ সুব্ৰমনিয়াম, এছ. সুকুমাৰণ, এ. দেৱ কুমাৰ, ৰমেশ বাবু, এম.আৰ. এ .ডি . এন. ৰাও আৰু সঞ্জয় আৰ. হেগড়ে।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰে ন্যায়াধীশ ড° অৰিজিত পাচায়তে। এই অন্তৰ্বৰ্তী আবেদনসমূহ মুঠতে লেখ আবেদন নং ২০২/১৯৯৫ৰ অন্তৰ্গত আ.এ. নং ৬৭০/২০০১ ত প্ৰদান কৰা ৰায়ৰ প্ৰশাখা । টি.এন.গোদাবৰ্মন থিৰুমুলপদ বনাম ইউনিয়ন অৱ ইণ্ডিয়া আৰু অন্যান্য [২০০২] ১০ এছ. চি. চি.৬০৬ -ৰ আবেদনকাৰীৰ নাম কে. এম. চিনাপ্পা। কুদ্ৰেমুখ আইৰন এণ্ড অ'ৰ কোম্পানী

লিমিটেড (সংক্ষেপে কে .আই .অ'. চি .এল.)ৰ কাৰ্যকলাপে পৰিৱেশ আৰু পৰিস্থিতি তন্ত্ৰৰ ওপৰত কোনো প্ৰতিকূল প্ৰভাৱ পেলাইছেনে নাই এই প্ৰশ্নটো ইয়াত অন্তৰ্ভুক্ত। ৰায়ৰ ৫১ আৰু ৫২ নং দফাত ইয়াক তলত দিয়া ধৰণে নিৰ্দেশিত কৰা হৈছিলঃ

(৫১) ওপৰত উল্লেখ কৰা বাস্তৱিক পটভূমি আৰু আইনী স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, আমি ভাবো যে সংৰক্ষণ আইনৰ ৩ নং ধাৰাৰ অধীনত গঠিত বন উপদেষ্টা সমিতিয়ে নিৰ্ধাৰণ কৰা সময়সীমাটো গ্ৰহণ কৰাটো উচিত। ইয়াৰ অৰ্থ এয়ে যে ২০০৫ চনৰ শেষলৈকে খননৰ অনুমতি দিব লাগে , যিটো সময়ৰ ভিতৰত ইতিমধ্যে বিভংগন হোৱা অঞ্চলত উপলব্ধ গৌণ আকৰ শেষ হৈ যাব লাগে। অৱশ্যে, এইটো পৰিৱেশ আৰু অন্যান্য দিশৰ সমিতিৰ পৰামৰ্শসমূহৰ পূৰণ সাপেক্ষে প্ৰযোজ্য।

(৫২) এইয়া কেনেদৰে সম্পন্ন কৰিব লাগিব তাৰ পদ্ধতি সমিতিয়ে অনুমোদন কৰা অনুসৰি হ'ব লাগিব। কৰ্ণাটক ৰাজ্যৰ বিদ্বান অধিবক্তাই অৱগত কৰিছিল যে ৰাজ্য চৰকাৰৰ বন বিভাগলৈ হিচাপ মূল্যত ভৰন আৰু অন্যান্য আন্তঃগাঁথনি স্থানান্তৰ কৰাৰ বিষয়ে কৰা অনুমোদন ইয়াৰ বাবে গ্ৰহণযোগ্য নহয়। এই বিষয়টো সমিতিয়ে বিবেচনা কৰিব পাৰে আৰু ৰাজ্যখনে ইয়াৰ আগত উপযুক্ত প্ৰস্তাৱ আগবঢ়াব পাৰে। এই ন্যায়ালয়ে দিয়া নিৰ্দেশ আৰু সমিতিৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ পৰিৱেশ আৰু বন মন্ত্ৰালয়, ৰাজ্য চৰকাৰ আৰু কোম্পানীয়ে সমিতিৰ তত্বাৱধান, নিৰ্দেশনা আৰু নিৰীক্ষণৰ অধীনত কাম কৰিব।

দুৰ্ভাগ্যজনকভাৱে কেন্দ্ৰীয় চৰকাৰে ৰায়টোত উল্লেখ কৰা স্পষ্ট স্থিতি সত্বেও স্বজ্ঞাত কাৰণত "কমিটি" পদটোৰ অৰ্থ "বন উপদেষ্টা সমিতি" (সংক্ষেপে এফ. এ. চি. ) বুলি ধৰি লয়। ৰায়দানৰ ৫নং দফাত থকা উল্লেখ সাপেক্ষে স্থিতি লোৱাৰ কোনো সুযোগ নাছিল। উল্লেখ কৰা হৈছে যে বন উপদেষ্টা সমিতিও এক বিধিবদ্ধ সমিতি। ২০০৬ চনৰ ২০ জানুৱাৰী তাৰিখৰ নিৰ্দেশত দেখা গৈছে যে নিৰীক্ষণ সমিতিৰ গঠন এই ন্যায়ালয়ৰ নিৰ্দেশনাৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়। কে. আই. অ'.চি. এল.-ৰ হৈ হাজিৰ হোৱা অধিবক্তাই অৱগত কৰিছিল যে এই ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি আৰু ১0/8/২০০৩ ৰ পৰা কাৰ্যকৰী হৈ থকা খনিজ সংৰক্ষণ আৰু উন্নয়ন বিধি, ১৯৮৮(সংক্ষেপে 'বিধি') ৰ নিয়ম ২৩ চি ৰ লগত সংগতি ৰাখি, এক অনুমোদিত চূড়ান্ত খনি বন্ধৰ পৰিকল্পনা দাখিল কৰা হৈছিল। বিশেষজ্ঞ সংস্থাসমূহৰ মতামত লোৱা হৈছিল। অৱগত কৰা হয় যে ৰায়দানৰ পিছতো কাৰ্যকৰী হৈ থকা বিধিবদ্ধ পৰামৰ্শ সাপেক্ষে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ভাৰতীয় খনি ব্যুৰো ('আই. বি. এম .') য়েও ইয়াৰ প্ৰতিবেদন দাখিল কৰিছে। সেয়েহে কোৱা

হৈছে যে আই. আই. টি. দিল্লীক ইয়াৰ মতামত দিবলৈ কোৱা হৈছিল যদিও ইয়াৰ কোনো প্ৰাসংগিকতা নাই। যদি নিয়ম ২৩ চি-ৰ বিধিবদ্ধ প্ৰয়োজনীয়তা মানি চলা নহ'লহেঁতেন, তেন্তে দণ্ডনীয় পৰিণতিৰ সন্মুখীন হ'ব লগা হ'লহেঁতেন। মুঠতে এই স্থিতি গ্ৰহণ কৰা হৈছে যে আই. আই. টি. দিল্লীৰ প্ৰতিবেদন গ্ৰহণ কৰা উচিত নহয় আৰু ইয়াৰ বিপৰীতে নিম্নলিখিত পদ্ধতিবোৰ গ্ৰহণ কৰা উচিত। (ক) ই ৩৩.৮১ হেক্টৰ খনন কৰি ঢাল স্থিৰতা প্ৰাপ্তিৰ উদ্দেশ্যে ইয়াৰ যন্ত্ৰপাতি আৰু শ্ৰমিকসকলক ব্যৱহাৰ কৰিব। খনন কাৰ্যকলাপৰ দ্বাৰা সৃষ্টি হোৱা মুঠ লাভৰ ৫0% কৰ্ণাটক চৰকাৰৰ দ্বাৰা গঠিত সমিতি বা এই ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি অন্য যিকোনো ধৰণে বা এই উদ্দেশ্যৰে সৃষ্টি কৰা উচ্চ ক্ষমতাসম্পন্ন বিধিবদ্ধ সমিতিৰ দ্বাৰা স্থাপিত আৰু পৰিচালিত এক পুঁজিলৈ প্ৰদান কৰা হ'ব (টেনিছি উপত্যকা কৰ্তৃপক্ষৰ দৰে)। এই ৫0% মুঠ লাভ কুদ্ৰেমুখ বন অঞ্চলৰ বাবে পুনৰ্বাসন আৰু পৰিৱেশ পুনৰুদ্ধাৰৰ বাবে ব্যৱহাৰ কৰা হ'ব। (খ) এক মোটামুটি অনুমান অনুসৰি, কুদ্ৰেমুখ ৰাষ্ট্ৰীয় উদ্যানৰ পুনৰ্বাসন আৰু পৰিৱেশ-পুনৰুদ্ধাৰৰ উদ্দেশ্যে আৰু অঞ্চলটোত বহনক্ষম পৰিৱেশ উন্নয়ন আৰু আৰ্থ-পৰ্যটন স্থাপন আৰু উত্তৰণৰ উদ্দেশ্যে নিৰ্ধাৰণ কৰা মুঠ লাভৰ ৫০% প্ৰতি বছৰে ৫০ৰ পৰা ৭৫ কোটি টকাৰ ভিতৰত হ 'ব পাৰে। এই দিশত, বৰ্তমানৰ ভৱন আৰু আন্তঃগাঁথনিও উপযোগী হ 'ব পাৰে। (গ) এই প্ৰস্তাৱ গ্ৰহণ কৰিলে প্ৰায় ৩ বছৰৰ সময়ছোৱাত পুঁজিটোত ১৫০ কোটিৰ পৰা ২২৫ কোটি টকা(আনুমানিক)ৰ পৰিসৰৰ পৰিমাণ উপলব্ধ হ 'ব পাৰে যিটো ৩৩.৮১ হেক্টৰ খননৰ বাবে প্ৰয়োজনীয় হ'ব।

ইয়াৰ উপৰিও উপস্থাপন কৰা হৈছে যে ৰায়টোৰ দফা ৪৯ আৰু ৫১ ত ইতিমধ্যে বিভংগন হোৱা অঞ্চলত ২০০৫ চনৰ শেষলৈকে খননৰ অনুমতি দিয়া হৈছিল ,কিয়নো এই ন্যায়ালয়ে আশা কৰিছিল যে বিচুৰ্ণ আকৰ শেষ হৈ যাব, কিন্তু বাস্তৱিকতে, ইতিমধ্যে বিভংগন হোৱা অঞ্চলত প্ৰায় ২০ নিযুত টন বিচুৰ্ণ আকৰ এতিয়াও উপলব্ধ হৈ আছে। ইয়াক ব্যৱহাৰ কৰাৰ অনুমতি দিয়া উচিত কিয়নো ইয়াৰ জৰিয়তে প্ৰতি বছৰে প্ৰায় ২৫ কোটি টকাৰ ৰাজহ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। যদি ইয়াক অনুমোদন কৰা হয়, কুদ্ৰেমুখ কৰ্তৃপক্ষৰ পৰিৱেশ পুনৰুদ্ধাৰ পুঁজিৰ বাবে প্ৰায় ৩০০ কোটি টকা উপলব্ধ হ'ব যিয়ে কুদ্ৰেমুখ ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশতন্ত্ৰত নাটকীয় পৰিৱৰ্তন সূচনা কৰিব।

আনহাতে, বিদ্বান এমিকাছ কিউৰি (নিৰপেক্ষ অধিবক্তা)য়ে উপস্থাপন কৰে যে এই ন্যায়ালয়ে স্পষ্টভাৱে ২০০৫ চনৰ শেষৰ ভিতৰত খনি কাৰ্যকলাপ বন্ধ কৰাৰ নিৰ্দেশ দিছিল। লাভৰ বাবে

খনিৰ কাৰ্যকলাপ চলোৱাৰ  সময় দিয়া হোৱা নাছিল, কিন্তু অৱলুপ্তিৰ সময়ৰ অন্তত খনন কাৰ্য বন্ধ কৰাৰ নিৰ্দেশ আছিল। এই সময়ছোৱাত কাৰ্যকলাপ কেন্দ্ৰীয় ক্ষমতাপ্ৰাপ্ত সমিতিৰ তত্ত্বাৱধানৰ অধীনত নিৰীক্ষণ সমিতিয়ে তদাৰক কৰাৰ নিৰ্দেশনা আছিল আৰু এতিয়া  কে. আই. অ'. চি. এল.-এ  ৮ৰ পৰা ৯ লাখ টন আকৰৰ  খনন অব্যাহত ৰাখিব বিচাৰিছে।

আমি প্ৰতিপক্ষৰ উপস্থাপন বিবেচনা কৰিছো । আই. আই. টি., দিল্লীক ২০০৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ  নিৰ্দেশ অনুসৰি নিযুক্তি দিয়া হৈছিল। এইটো দেখা গৈছে যে কে. আই. অ'. চি. এল.-এ অৱলুপ্তিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰাকৈ বাণিজ্যিক কাৰ্যকলাপ চলোৱাৰ বাবে সংশ্লিষ্ট সময়খিনি ব্যৱহাৰ কৰিছে। ২০০৬ চনৰ ১০ মে 'ত কে. আই. অ'. চি. এল.-ৰ দ্বাৰা এক শপতনামা দাখিল কৰা হৈছিল য'ত এই স্থিতি গ্ৰহণ কৰা হৈছিল যে যদি কে. আই. অ'. চি. এল.-ক প্ৰদূষণ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে কাম কৰিবলৈ অনুমতি দিয়া নহয়, তেন্তে ভদ্ৰা নদীৰ গুৰুতৰ প্ৰদূষণৰ সম্ভাৱনা আছে। দিল্লীৰ আই. আই. টি.-য়ে এই অনুশীলনটো প্ৰয়োজনীয় বুলি বিবেচনা কৰা নাছিল। কে. আই. অ ". চি. এল.-এ অনিবাৰ্য বুলি  ভৱা কথাটোৰ বিপৰীতে, প্ৰচণ্ড বাৰিষাৰ পিছতো কোনো ক্ষতি হোৱা নাছিল বুলি এমিকাছ কিউৰি(নিৰপেক্ষ অধিবক্তা)য়ে উল্লেখ কৰে। আই.আই.টি, দিল্লীয়ে ইয়াৰ প্ৰতিবেদনত লক্ষ্য কৰিছে যে সমাধানটো বিশেষজ্ঞসকলে বিচাৰিব লাগিব আৰু সেই সমাধানটোৰ হৃদস্পন্দন হৈছে "অভগ্ন অঞ্চলত কোনো ব্যাঘাত নোহোৱা  বা ন্যূনতম ব্যাঘাত নোহোৱা" ঢালৰ স্থিৰতা। বিভিন্ন সময়ত, এই ন্যায়ালয়ৰ দ্বাৰা নিশ্চিতভাৱে আৱশ্যক বুলি গণ্য কৰা বিষয়বোৰ বাতিল কৰাৰ লক্ষ্যৰে প্ৰকৃততে আবেদন দাখিল কৰা হৈছে।

এই মুহূৰ্তত দিল্লীৰ আই. আই. টি.-য়ে ইয়াৰ বিভিন্ন প্ৰতিবেদনত কি উল্লেখ কৰিছে তাৰ ওপৰত গুৰুত্ব দিয়াটো উপযুক্ত হ’ব।

কে. আই. অ’. চি. এল.-ৰ খনি বন্ধ হোৱাৰ সময়ত ঢালৰ স্থিৰতা আৰু আনুষংগিক বিষয়সমূহৰ ওপৰত ২০০৬ চনৰ ১২ এপ্ৰিল  তাৰিখৰ তেওঁলোকৰ প্ৰতিবেদনত তলত উল্লেখ কৰা ধৰণে পৰ্যবেক্ষণ কৰা হৈছিলঃ

“৩.০ ঢালৰ স্থিৰতাৰ ওপৰত পৰ্যবেক্ষণ

উপৰোক্ত পদ্ধতিৰ ওপৰত ভিত্তি কৰি, ঢালবোৰৰ স্থিৰতা সম্পৰ্কে নিম্নলিখিত পৰ্যবেক্ষণবোৰ কৰা হয়।

(ক) খনিটোৰ খনন কৰা ঢালবোৰ বিভিন্ন প্ৰস্থৰ বেঞ্চৰ সৈতে বিভিন্ন মাত্ৰাত বিৰাজ কৰি আছে।
(খ) কিছুমান ঢাল সুস্থিৰ হিচাপে বিৰাজ কৰিছে য'ত ঘাঁহ গজি আছে । আনবোৰত পৃষ্ঠীয় ক্ষয়/ধ্বংসাৱশেষৰ প্ৰবাহ/বোকাৰ প্ৰবাহৰ লক্ষণ দেখা যায়; তথাপিও আনবোৰে সমতলীয় পিছ্ছিলতা বা সীমিত গভীৰতাৰ স্লাইডৰ লক্ষণ দেখুৱায়।

(গ) নিৰ্দিষ্ট স্থানত ঢালৰ অস্থিৰতাৰ কাৰণ এইকেইটা বুলি পৰ্যবেক্ষণ কৰা হ 'ল (i) অত্যধিক থিয় তথা হেলনীয়া (ii) সংপৃক্ত অৱস্থাত মাটি/শিলৰ ভৰৰ অপৰ্যাপ্ত শক্তি আৰু (iii) বাৰিষাৰ সময়ত বৰষুণৰ পানী প্ৰৱেশ কৰাৰ ফলত হোৱা উদ্ভাসিত চাপ।

(ঘ) খনিৰ ঢালবোৰৰ সংপৃক্ততা আৰু ঢালবোৰত প্ৰয়োগ কৰা উদ্ভাসিত চাপ হৈছে এনে দুটা কাৰক যিয়ে ঢালবোৰৰ অস্থিৰতাত আটাইতকৈ ডাঙৰ ভূমিকা পালন কৰে, যিহেতু এই ঢালবোৰ শুকান মাহবোৰত তুলনামূলকভাৱে স্থিৰ আৰু বাৰিষাৰ সময়ত অস্থিৰ হৈ পৰে বুলি জানিব পৰা গৈছে। সংপৃক্ততাই মাটি/শিলৰ ভৰৰ শক্তি হ্ৰাস কৰে আৰু উদ্ভাসিত চাপে নিম্নমুখী গতি সূচনা কৰে।

৪.০ খনি ক্ষেত্ৰৰ উত্তৰ-পশ্চিম অংশৰ অস্থিৰতা সন্দৰ্ভত পৰ্যবেক্ষণ

উত্তৰ-পশ্চিম দিশত থকা খনন ক্ষেত্ৰৰ এটা অংশ কেচ পিটত পানী জমা হোৱাৰ পৰিপ্ৰেক্ষিতত ঢালৰ অস্থিৰতাৰ বিশেষ কাৰণ হিচাপে পৰিলক্ষিত হৈছে । এই কেচ পিটটো অভগ্ন অঞ্চলৰ ওপৰত বিভংগন হোৱা অঞ্চলৰ ভূমিভাগত নিৰ্মাণ কৰা হৈছে। খনন কাৰ্যৰ সময়ত খননৰ দ্বাৰা কেচ পিটটো নিৰ্মাণ কৰা হৈছিল আৰু ইয়াৰ ফলত নিম্নলিখিত প্ৰভাৱ পৰা দেখা গৈছেঃ
(ক) কেচ পিটত সংগ্ৰহ হোৱা পানী অভগ্ন অঞ্চললৈ নিগৰি যোৱাৰ ফলত কেচ পিটৰ তলৰ ফালে থকা অভগ্ন অঞ্চলটো অস্থিৰ হৈ পৰিছে;

(খ) যেতিয়া কেচ পিটটো উপচি পৰে, তেতিয়া পলসযুক্ত পৃষ্ঠজলৰ অনিয়ন্ত্ৰিত প্ৰবাহ নিম্নদিশত প্ৰৱাহিত হয় যি অৱশেষত অভগ্ন অঞ্চলৰ পাদদেশত থকা ভদ্ৰা নদীত উপনীত হয়; ইয়াৰ ফলত অভগ্ন অঞ্চলত লোৰ আৰু ক্ষয় সুৰংগ গঠন হৈছে।

৫.০ বন্ধ কৰা পৰিকল্পনাত ঢালৰ স্থিৰতা সম্পৰ্কীয় দিশসমূহৰ ওপৰত পৰ্যবেক্ষণ

বন্ধ কৰাৰ পৰিকল্পনাৰ অন্তৰ্গত নিম্নলিখিত প্ৰতিবেদনসমূহত ঢালৰ স্থিৰতাৰ দিশবোৰ সামৰি লোৱা হৈছেঃ

এন. আই. আৰ. এম.-ৰ প্ৰতিবেদনঃ কুদ্ৰেমুখ লৌহ আকৰিক খনিত ঢাল স্থিৰতাৰ তদন্ত

চি. ডব্লিউ. পি. আৰ. এছ.-ৰ প্ৰতিবেদনঃ কৰ্ণাটকৰ কুদ্ৰেমুখ লৌহ আকৰিক খনিত খনন ক্ষেত্ৰত পাহাৰীয়া ঢালৰ স্থিৰতাৰ ওপৰত কক্ষ অধ্যয়ন বন্ধ কৰা

পৰিকল্পনাত ঢালবোৰ সমতল কৰাৰ প্ৰস্তাৱ দিয়াৰ লগতে উত্তৰ-পশ্চিম অংশত ভগ্ন অঞ্চল আৰু অভগ্ন অঞ্চলত ঢালৰ অতিৰিক্ত খননৰ দ্বাৰা স্থিৰকৰণৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াৰ পিছত সূক্ষ্ম পদাৰ্থৰ ক্ষয় নিয়ন্ত্ৰণৰ বাবে ঢালবোৰত পুনৰায় উদ্ভিদ ৰোপণ কৰা হ ’ব। ভদ্ৰা নদীৰ অৱক্ষেপন প্ৰতিৰোধ কৰিবলৈ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা বৃদ্ধি সম্পূৰ্ণ নোহোৱালৈ চেক বান্ধৰ প্ৰস্তাৱ দিয়া হৈছে আৰু এনেদৰে পলসজনিত ক্ষয়ীভৱন হ্ৰাস কৰিব।

বন্ধ কৰাৰ পৰিকল্পনাত ঢালৰ স্থিৰতাৰ দিশসমূহৰ ওপৰত পৰ্যবেক্ষণসমূহ তলত উল্লেখ কৰা হ লঃ

(ক) ৩৩.৮১ হেক্টৰ এলেকাৰ অভগ্ন অংশত গভীৰ খননৰ দ্বাৰা খনিৰ উত্তৰ-পশ্চিম অংশক স্থিৰ কৰাৰ পৰামৰ্শ দিয়া পদ্ধতিটো এটা বিকল্প হ'ব পাৰে কিন্তু কেৱল সেইটোৱেই একমাত্ৰ পদ্ধতি নহয়। অভগ্ন অঞ্চলত ব্যাঘাত হ্ৰাস কৰিব পৰা আন পদ্ধতিবোৰ পৰীক্ষা কৰা হ'ব পাৰে ।

(খ) ইয়াৰ উপৰিও, বন্ধ কৰাৰ পৰিকল্পনাত নিম্নলিখিত দিশবোৰ সামৰি লোৱা হোৱা নাইঃ

(i) সমগ্ৰ খনি এলেকাৰ বাবে এটা পৃষ্ঠীয় জল নিষ্কাশন পৰিকল্পনা যি বেঞ্চত আৰু খনন ক্ষেত্ৰৰ ভূমিৰ পৰিসীমাত পৃষ্ঠীয় পানীৰ বৰষুণৰ অৱস্থান সূচায়;

(ii) চেক বান্ধ আৰু কেচ পিটত সংগ্ৰহ হোৱা পলস সময় অনুসৰি আঁতৰোৱা আৰু স্থানান্তৰ কৰাৰ পদ্ধতি;

(iii) নিয়মীয়া  ধ্বংসাবশেষৰ প্ৰবাহ বা বোকাৰ প্ৰবাহ পৰ্যবেক্ষণ কৰা সমস্যাপূৰ্ণ অঞ্চলসমূহত উদ্ভিদৰ বৃদ্ধিত সহায় কৰাৰ বাবে জৈৱ-ভূ-কাৰিকৰী অভিযান্ত্ৰিক ব্যৱস্থাৰ অৱলম্বন;

(iv) খনিৰ উত্তৰ-পশ্চিম অংশৰ বাবে স্থিৰতা ব্যৱস্থা যেনে সংগৃহীত পানীৰ অপসাৰণ আৰু বিদ্যমান কেচ পিটৰ পৰা পানীৰ অতিৰিক্ত প্ৰবাহ আঁতৰ কৰাৰ লগতে কেচ পিটৰ দ্বাৰা অস্থিৰ হৈ পৰা অভগ্ন অঞ্চলৰ বাবে স্থিৰকৰণ ব্যৱস্থা; (v) ওপৰত তালিকাভুক্ত (i) ৰ পৰা

(iv) নং ব্যৱস্থাসমূহৰ ফলত যথেষ্ট অতিৰিক্ত ব্যয় হ’ব পাৰে।

৬.০  সিদ্ধান্ত আৰু পৰামৰ্শ

(ক) বৰ্তমান অৱস্থাত ঢালবোৰ স্থিৰ নহয় আৰু স্থিৰতাৰ প্ৰয়োজন।

(খ) আগতে উল্লেখ কৰাৰ দৰে যদি ঢালবোৰ স্থিৰ নকৰাকৈ খনিটো ত্যাগ কৰা হয়, তেন্তে ইয়াৰ ফলত ভৱিষ্যতৰ বছৰবোৰত ক্ষয়ীভৱনৰ বাবে অত্যধিক পলস নিষ্কাশন হ 'ব আৰু কিছুমান স্থানত ঢালবোৰৰ স্খলন হ'ব।

(গ) আগন্তুক বাৰিষাৰ সময়ত বৃহৎ পৰিমাণৰ  স্খলনৰ সম্ভাব্য ঘটনা প্ৰতিহত কৰিবলৈ খনিৰ উত্তৰ-পশ্চিম অংশত তাৎক্ষণিক মনোযোগ আৰু প্ৰতিকাৰমূলক ব্যৱস্থাৰ প্ৰয়োজন।

(ঘ) ঢালবোৰ স্থিৰ কৰাৰ বাবে বন্ধ কৰাৰ পৰিকল্পনাৰ প্ৰয়োজন। বৰ্তমান প্ৰস্তাৱিত বন্ধ কৰা পৰিকল্পনাটো ভালদৰে ধাৰণা কৰা হৈছে কিন্তু বিশদ বিৱৰণত (ওপৰৰ ৫.0 (ক) আৰু (খ) ত উল্লেখ কৰা অনুসৰি) পৰ্যাপ্ততাৰ  অভাৱ। সম্ভৱতঃ ইয়াৰ কাৰণ হ’ল কম সময়ৰ ভিতৰতে ইমান ডাঙৰ খনিসমূহ বন্ধ কৰাৰ ক্ষেত্ৰত দেশত অপৰ্যাপ্ত অভিজ্ঞতা আছে। বন্ধ কৰা সম্পৰ্কীয় নিয়মাৱলীবোৰ কেৱল দেশত শেহতীয়া বছৰবোৰত অৱগত কৰা হৈছে আৰু দক্ষতা সম্পূৰ্ণৰূপে বিকশিত হ 'বলৈ সময় লাগিব।

(ঙ) এইটো পৰামৰ্শ দিয়া হৈছে যে খনি বন্ধ কৰাৰ কামটো, পূৰ্ণকালীন ভিত্তিত, একেধৰণৰ কামত প্ৰয়োজনীয় অভিজ্ঞতা থকা(ৰূপাংকণ আৰু নিৰ্মাণ ভিত্তিত) প্ৰতিষ্ঠান এটাক দিয়া হওক। এনে এটা প্ৰতিষ্ঠান গোলকীয় প্ৰতিযোগিতামূলক নিবিদা আহ্বানৰ জৰিয়তে বাছনি কৰিব পাৰি। ঢালৰ স্থিৰতা পুনৰ বিশ্লেষণ কৰা আৰু তাৰ পিছত বন্ধ কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰা আৰু খনিৰ অভগ্ন অঞ্চলত ন্যূনতম ব্যাঘাতৰ সৈতে ইয়াক কাৰ্যকৰী কৰাটো এনে সংগঠনৰ দায়িত্ব হ 'ব লাগে। খনন বন্ধ কৰাটো কাৰ্যকৰী কৰাত কে. আই. অ ". চি. এল.-এ এনে এটা প্ৰতিষ্ঠানক সহায় কৰিব পাৰে। যিহেতু বন্ধ কৰাটো কাৰ্যকৰী কৰাৰ বাবে এক বৃহৎ ব্যয় হ 'ব আৰু গছ-গছনি ৰোপণৰ বাবে কেইবা বছৰৰ সময়সীমাৰ প্ৰয়োজন হ 'ব, সেয়ে এনে কাম এই উদ্দেশ্যে সৃষ্টি কৰা এক বিশেষ কোষ/নোডাল সংস্থাৰ দ্বাৰা নিৰীক্ষণ কৰিব পাৰি।

(চ) ওপৰৰ (ঙ) ত তালিকাভুক্ত কৰা কাম সম্পন্ন কৰাত কেইবা মাহ সময় লাগিব পাৰে। তেতিয়ালৈকে, কে. আই .অ’. চি. এল.-এ (সমগ্ৰ খনি অঞ্চলত সাধাৰণভাৱে আৰু উত্তৰ-পশ্চিম অংশত বিশেষভাৱে) ঢালবোৰ নিৰীক্ষণ আৰু ৰক্ষণাবেক্ষণ কৰিব লাগিব । ইয়াৰ লগতে সংশ্লিষ্ট স্থানত পলস নিয়ন্ত্ৰণ ব্যৱস্থা অব্যাহত ৰাখিব লাগিব বা পৰিচালনা কৰিব লাগিব।

পুনৰ ২০০৬ চনৰ ১২ জুনত বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদনত কে. আই. অ’. চি. এল.-ৰ বিষয়াসকলে বিভিন্ন তাৰিখত আগবঢ়োৱা উপস্থাপনৰ ভিত্তিত কিছুমান নিৰ্দিষ্ট পৰ্যবেক্ষণ কৰা হৈছিল। পৰ্যবেক্ষণসমূহ তলত উল্লেখ কৰা প্ৰভাৱৰ ওপৰত আছিল।

"সঞ্চালক (উৎপাদন আৰু প্ৰকল্প) শ্ৰী জে. এন. কিনীৰ নেতৃত্বত কে. আই. অ '. চি. এল.-ৰ বিষয়াসকলে ২০০৬ চনৰ ৮ জুনত আই. আই. টি. দিল্লীত পলস নিয়ন্ত্ৰণ ব্যৱস্থা আৰু উত্তৰ-পশ্চিম অংশৰ সুস্থিৰতাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ ওপৰত এক উপস্থাপন কৰিছিল। পানী প্ৰদূষণ নিয়ন্ত্ৰণ ব্যৱস্থাৰ ধাৰণাগত ৰূপাংকন আৰু বিশদ ৰূপাংকন থকা এখন প্ৰতিবেদনো দাখিল কৰা হৈছিল। তলত উল্লেখ কৰা লোকসকল উপস্থিত আছিলঃ

শ্ৰী জে. এন. কিনী, কে.আই. অ’.চি.এল.

শ্ৰী কে.এছ. কাশীনাথ, কে.আই.অ’.চি.এল.

শ্ৰী জি. পাই, কে.আই.অ'.চি.এল.

শ্ৰী এম. কে. ৰাজগোপালন, কে.আই.অ'.চি.এল.

অধ্যাপক জি. ভি. ৰাও, বিশেষজ্ঞ সমিতিৰ সদস্য

অধ্যাপক কে.জি. শৰ্মা, বিশেষজ্ঞ সমিতিৰ সদস্য

অধ্যাপক মনোজ দত্ত, বিশেষজ্ঞ সমিতিৰ সদস্য।

বিশেষজ্ঞ সমিতিৰ তিনিওজন সদস্যই গৃহীত ব্যৱস্থাসমূহ অধ্যয়ন কৰিবলৈ ২০০৬ চনৰ ১০ আৰু ১১ জুনত খনিৰ স্থান পৰিদৰ্শন কৰিছিল।"

কে.আই.অ'.চি.এল. -ৰ বিষয়াসকলৰ উপস্থাপন, তেওঁলোকৰ দ্বাৰা দাখিল কৰা প্ৰতিবেদন আৰু স্থান পৰিদৰ্শনৰ ভিত্তিত বিশেষজ্ঞ সমিতিৰ সদস্যসকলৰ পৰ্যালোচনাসমূহ তলত উল্লেখ কৰা হ'ল।"

পলস নিয়ন্ত্ৰণ ব্যৱস্থা

(১) এইটো লক্ষ্য কৰা হৈছে যে কে. আই. অ'. চি. এল.-ৰ দ্বাৰা খনিৰ স্থানৰ পৰা ভদ্ৰা নদীলৈ নিষ্কাশন প্ৰণালী, কেচপিট, বাৰ্ম ,ডাইক আৰু চেক বান্ধৰ ৰূপত পলসৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰাৰ বাবে সমন্বিত প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে।

(২) দুটা প্ৰদূষণ নিয়ন্ত্ৰণ বান্ধৰ ভিতৰত এটা প্ৰায় সম্পূৰ্ণ (পি. চি. ডি. ১) বুলি পৰ্যবেক্ষণ কৰা হৈছে ,আনহাতে আনটোত উল্লেখযোগ্য সংৰক্ষণ ক্ষমতা বিৰাজ কৰিছে ( পি. চি. ডি ২)।

(৩) কে. আই. অ'. চি. এল.-ৰ দ্বাৰা, যিমানদূৰ সম্ভৱ, পি. চি. ডি.-১-ৰ পিছফালৰ জলাশয়টো খালী কৰাৰ প্ৰয়াস কৰা হৈছে আৰু বাৰিষা আৰম্ভ হোৱাৰ লগে লগে এইয়া পৰিত্যাগ কৰা হৈছে। বাৰিষাৰ বৰ্ধিত শিথিলতাৰ সময়ছোৱাত অধিক চেষ্টা কৰিব পৰা যায় যদিহে এয়া বিৰাজ কৰে ।
(৪) পি. চি. ডি. ১-ৰ নিষ্কাশন প্ৰণালীৰ পৰা পি. চি. ডি.-২-ৰ নিষ্কাশন প্ৰণালীলৈ নিৰ্বাচিত স্থানত পলসৰে ভৰা পানী বিচ্যুত কৰা হৈছে।

(৫) কে. আই. অ'. চি. এল.-ৰ বিষয়াসকলে কয় যে পি. চি. ডি. ২-ৰ আগৰ মূল কেচপিটৰ লগতে পি. চি. ডি. ২-ৰ জলাশয়টো বৰ্তমানৰ বাৰিষাৰ বাবে বেছিভাগ পলস ধৰি ৰাখিবলৈ পৰ্যাপ্ত। অৱশ্যে ভৱিষ্যতৰ বছৰবোৰত পলস নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(৬) পাইপ ব্যৱস্থাৰ প্ৰমাণ দৰ্শন কৰিবলৈ পি. চি. ডি. ২-ৰ ওপৰৰ ঢাল পৰ্যবেক্ষণ কৰা হয়। কে. আই. অ'. চি. এল.-এ জিঅ'টেক্সটাইল ফিল্টাৰ আৰু প্লাগিং ব্যৱস্থাৰ দৰে প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। বাৰিষাৰ পিছত উপযুক্ত দীৰ্ঘকালীন ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। বাৰিষাৰ সময়ত আৰু বাৰিষাৰ পিছত পি. চি. ডি. ২ আৰু পি. চি. ডি. ১ দুয়োটাৰে সাৱধানে নিৰীক্ষণ কৰিব পাৰি।

(৭) এইটো লক্ষ্য কৰা হৈছে যে উত্তৰ-পশ্চিম অংশৰ পৰা পলসৰে ভৰা পানী পি. চি. ডি. ১ বা পি. চি. ডি. ২-ত উপনীত নহয় ,বৰং উত্তৰ-পশ্চিম অংশৰ নিম্নভূমি অঞ্চলৰ পৰা ভদ্ৰা নদীলৈ ক্ষয়জনিত লোৰৰ মাজেৰে প্ৰবাহিত হয় । পলস নিয়ন্ত্ৰণ কৰিবলৈ এটা গেবিয়ন গাঁথনি নিৰ্মাণ কৰা হৈছে যদিও প্ৰচুৰ বৰষুণৰ সময়ত পলস উপচি যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এই অঞ্চলৰ পৰা পলস নিৰ্গমণ নিয়ন্ত্ৰণ কৰিবলৈ অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন। কে. আই. অ'. চি. এল.-এ পলসেৰে ভৰা পানী পি. চি. ডি. ২-ত উপনীত হ'বৰ বাবে সক্ষম কৰিবলৈ উত্তৰ-পশ্চিম অংশৰ পুনঃ ব্যৱস্থাপনাৰ প্ৰস্তাৱ দিছে। ইয়াৰ বাবে প্ৰায় ৬ মাহ সময় লাগিব আৰু কেৱল বাৰিষাৰ পিছতহে ইয়াক গ্ৰহণ কৰিব পৰা যাব। এই সমস্যাৰ লগত মোকাবিলা কৰিবলৈ ধাৰণাগত আৰু বিশদ পৰিকল্পনাৰ সৈতে অন্যান্য বিকল্পসমূহ বিবেচনা কৰিব লাগিব।

*উত্তৰ-পশ্চিম অংশৰ স্থিৰতা*

(১) নিম্ন অঞ্চলত পানী জমা নোহোৱাৰ বাবে উত্তৰ-পশ্চিম অঞ্চলৰ স্থিৰতা সামান্য উন্নত হোৱা দেখা গৈছে।

(২) অৱশ্যে, অৱক্ষয় লোৰ উপস্থিতিৰ পৰিপ্ৰেক্ষিতত উপচি পৰা পানীৰ বাবে স্থিৰতা এতিয়াও প্ৰভাৱিত হ 'ব পাৰে।

(৩) বেঞ্চ আৰু প্ৰৱেশ পথ নথকাৰ বাবে নিম্ন অঞ্চলৰ পৰিধিলৈ সম্পূৰ্ণ প্ৰৱেশ উপলব্ধ নহয়।
(৪) উত্তৰ-পশ্চিম অঞ্চলৰ বাবে দীৰ্ঘম্যাদী ব্যৱস্থা হিচাপে নিম্নলিখিত বৈশিষ্ট্যসমূহৰ সৈতে কেইটামান বিকল্প সমাধানৰ ধাৰণা কৰাটো গুৰুত্বপূৰ্ণঃ

(ক) নিম্নতম পানী জমা হোৱাৰ ব্যৱস্থা,

(খ) পি. চি. ডি.-২ত উপনীত হ 'বলৈ নিষ্কাশন নলী,

(গ) থিয় ঢাল স্থিৰ কৰিবলৈ বেঞ্চ,

(ঘ) নিম্ন অঞ্চলৰ চাৰিওফালে প্ৰৱেশ্য পথ, আৰু

(ঙ) অৰক্ষয় লোৰৰ নিশ্ছিদ্ৰকৰণ

চূড়ান্ত মন্তব্যসমূহ

কে. আই. অ'. চি. এল.-এ এই প্ৰতিবেদনত কৰা পৰ্যবেক্ষণৰ ভিত্তিত সংশোধিত ধাৰণাগত ৰূপাংকন আৰু প্ৰতিকাৰমূলক ব্যৱস্থা প্ৰস্তুত কৰিব পাৰে।

২০০৬ চনৰ ১০ মে'ত কে. আই. অ'. চি. এল.-ৰ দ্বাৰা দাখিল কৰা শপতনামাৰ পটভূমিত ১৩/৭/২০০৬ তাৰিখে আই. আই. টি, দিল্লীৰ মতামত তলত দিয়া ধৰণৰ আছিলঃ

"আই. আই. টি, দিল্লীৰ বিশেষজ্ঞ সকলে কে. আই. অ'. চি. এল.-ৰ দ্বাৰা দাখিল কৰা শপতনামাখন অধ্যয়ন কৰিছে। "সমগ্ৰ খনি অঞ্চলত ঢালৰ স্থিৰতা অৰ্জন" শীৰ্ষক বিষয় ৩ৰ সন্দৰ্ভত বিশেষজ্ঞ সংস্থাৰ মতামত তলত উল্লেখ কৰা হ'ল।

(১) খনি অঞ্চলৰ ঢালৰ স্থিৰতাৰ বাবে, কে. আই. অ'. চি. এল.-ৰ পৰা এন. আই. আৰ. এম.-লৈ তেওঁলোকৰ অধ্যয়নৰ বাবে নিৰ্ধাৰিত কামৰ পৰিসৰত অভগ্ন অঞ্চলত "কোনো ব্যাঘাত নোহোৱা বা ন্যূনতম ব্যাঘাত নোহোৱা অৱস্থা"-ৰ নিৰ্ধাৰণ কৰা হোৱা নাছিল। ফলস্বৰূপে, এন. আই. আৰ. এম. ৰ প্ৰতিবেদনত কেৱল এটা সমাধানহে উপস্থাপন কৰা হৈছে, যি ভগ্ন এলেকাটোক ব্যাঘাত কৰিছে। ই আন কোনো বিকল্প সমাধান নিদিয়ে।

(২) আই. আই. টি, খড়গপুৰ, চি. এম. আৰ. আই. ধানবাদ, নিৰীক্ষণ সমিতি, চি. ডব্লিউ. পি. আৰ. এছ. , পুণেৰ অন্যান্য প্ৰতিবেদনসমূহে এন. আই. আৰ. এম.-ৰ প্ৰতিবেদনক বিশ্লেষণৰ আধাৰ হিচাপে ব্যৱহাৰ কৰে, সেয়েহে এন. আই. আৰ. এম.-ৰ দৰে একেধৰণৰ পৰামৰ্শ দিছে।

(৩) ২০০৬ চনৰ ১০ এপ্ৰিলত বিশেষজ্ঞ সংস্থাই দাখিল কৰা পূৰ্বৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, এইটো পুনৰ উল্লেখ কৰা হৈছে যে অবিচ্ছিন্ন অঞ্চলত কোনো বা ন্যূনতম ব্যাঘাত নোহোৱাকৈ ঢালৰ স্থিৰতাৰ সমাধান সম্ভৱ।

(৪) সঠিক নিষ্কাশন আৰু পলস নিয়ন্ত্ৰণ ব্যৱস্থাৰ সৈতে ভগ্ন অঞ্চলত খনন কৰি অস্থিৰ ঢালবোৰ সমতল কৰিলে খনন কৰা অঞ্চলৰ স্থিৰতা উন্নীত হ'ব পাৰে। এই উদ্দেশ্যে ইতিমধ্যে মহামান্য উচ্চতম ন্যায়ালয়ত দাখিল কৰা ২০০৬ চনৰ ১০ এপ্ৰিল তাৰিখৰ বিশেষজ্ঞ সংস্থাৰ প্ৰতিবেদনৰ ৬ (ই) ত দিয়া পৰামৰ্শৰ অন্তৰ্গত ব্যৱস্থাটো অৱলম্বন কৰিব পৰা যায় ।

উপৰোক্ত প্ৰতিবেদনৰ গুৰুত্বপূৰ্ণ দিশবোৰ তলত দিয়া ধৰণৰঃ

(ক) খনি অঞ্চলৰ ঢালৰ স্থিৰতাৰ বাবে, কে. আই. অ'. চি. এল.-ৰ পৰা এন. আই. আৰ. এম.-লৈ তেওঁলোকৰ অধ্যয়নৰ বাবে নিৰ্ধাৰিত কামৰ পৰিসৰত অভগ্ন অঞ্চলত "কোনো ব্যাঘাত নোহোৱা বা ন্যূনতম ব্যাঘাত নোহোৱা অৱস্থা"-ৰ নিৰ্ধাৰণ কৰা হোৱা নাছিল। ফলস্বৰূপে, এন. আই. আৰ. এম. ৰ প্ৰতিবেদনত কেৱল এটা সমাধানহে উপস্থাপন কৰা হৈছে, যি ভগ্ন এলেকাটোক ব্যাঘাত কৰিছে। ই আন কোনো বিকল্প সমাধান নিদিয়ে।

(খ) অন্যান্য প্ৰতিবেদনসমূহ অৰ্থাৎ আই. আই. টি, খড়গপুৰ, চি. এম. আৰ. আই. ধানবাদ, নিৰীক্ষণ সমিতি, চি. ডব্লিউ. পি. আৰ. এছ. ,পুণে আদিৰ প্ৰতিবেদনসমূহে এন. আই. আৰ. এম.-ৰ প্ৰতিবেদনক বিশ্লেষণৰ আধাৰ হিচাপে ব্যৱহাৰ কৰে, সেয়েহে এন. আই. আৰ. এম.-ৰ দৰে একেধৰণৰ পৰামৰ্শ দিছে।

(গ) অভগ্ন অঞ্চলত কোনো ব্যাঘাত নোহোৱাকৈ বা ন্যূনতম ব্যাঘাত নোহোৱাকৈ ঢালৰ স্থিৰতাৰ সমাধান সম্ভৱ।

(ঘ) কিছুমান নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰি খনন ক্ষেত্ৰৰ স্থিৰতা উন্নত কৰিব পাৰি।

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ পটভূমিত, আৰু আমি যুক্তিসংগত ভিত্তিত প্ৰতিষ্ঠিত বুলি অনুভৱ কৰা আই.আই. টি.-ৰ পৰামৰ্শ আৰু অনুমোদনৰ আধাৰত তলত দিয়া ধৰণে নিৰ্দেশনা দিওঃ

(i) আই .আই. টি. দিল্লীৰ ১০/০৪/২০০৬ তাৰিখৰ প্ৰতিবেদনৰ ভিত্তিত গোলকীয় প্ৰতিযোগিতামূলক নিবিদা আহ্বানেৰে এনে এক প্ৰতিষ্ঠান বাছনি কৰিব লাগিব যাৰ কাম হ'বঃ

(ক) ঢালৰ স্থিৰতা পুনঃবিশ্লেষণ কৰা

(খ) খনি বন্ধ কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰা আৰু

(গ) উপৰোক্ত পৰিকল্পনাৰ ৰূপায়ণ কৰা;

(ii) আই .আই. টি. দিল্লীয়ে "অভগ্ন অঞ্চলত কোনো ব্যাঘাত নোহোৱা বা ন্যূনতম ব্যাঘাত নোহোৱা" মৌলিক আৰ্হিৰ সৈতে সংগতি ৰাখি কৰিবলগীয়া কামৰ বাবে বিশদ চৰ্ত প্ৰস্তুত কৰিব আৰু পৰৱৰ্তী নিৰ্দেশনাৰ বাবে এয়া চাৰি সপ্তাহৰ ভিতৰত এই ন্যায়ালয়ত দাখিল কৰিব ।

(iii) ভাৰত চৰকাৰৰ খনি মন্ত্ৰ্যালয়ে তাৎক্ষণিকভাৱে খনিসমূহ দখল কৰিবলৈ এজন বিষয়া মনোনীত কৰিব। আই .আই. টি. দিল্লীয়ে খনি আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ জৰীপ কৰিবলৈ বিশেষজ্ঞৰ এটা দল নিয়োগ কৰিব আৰু বিশেষজ্ঞ সংস্থাৰ নিযুক্তি নোহোৱালৈকে মধ্যৱৰ্তী সময়ছোৱাত ল'বলগীয়া যিকোনো তাৎক্ষণিক পদক্ষেপ সন্দৰ্ভত এই ন্যায়ালয়ত এক প্ৰতিবেদন দাখিল কৰিব। আই .আই. টি. দিল্লীয়ে মনোনীত বিষয়াক তাৎক্ষণিকভাৱে যিকোনো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ ক'ব পাৰে।

(iv) গোলকীয় প্ৰতিযোগিতামূলক নিবিদা আহ্বান আৰু মূল্যায়নৰ বাবে অৰ্থাৎ বিজ্ঞাপন আদিত ব্যয়ৰ বাবে আৰম্ভণিতে কে.আই.অ'. চি. এল.-এ জমা কৰা ১৯ কোটি টকা প্ৰয়োগ কৰিব পৰা যায় আৰু এইয়া বৰ্তমান তদৰ্থ-চি. এ. এম. পি. এ-ৰ ওচৰত আছে ।

(v) যদি উপৰোক্ত পৰিমাণতকৈ অধিক ধনৰ প্ৰয়োজন হয়, তেন্তে সংশ্লিষ্ট প্ৰতিষ্ঠান বা মনোনীত বিষয়াজনে প্ৰয়োজনীয় নিৰ্দেশনাৰ বাবে এই ন্যায়ালয়ত আবেদন কৰিব।

সেইমৰ্মে অন্তৰ্বৰ্তী আবেদনসমূহ নিষ্পত্তি কৰা হ'ল।

*অনুবাদঃ প্ৰবীণ হাজৰিকা, অধিবক্তা*

*পৰীক্ষণঃ দিতিমণি গগৈ, স্পেচিয়েল অফিচাৰ অনুবাদ শাখা*

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"*